# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব।

২। ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায় আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্য দুখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ড প্ৰৱৰ্তনৰ তিনি সপ্তাহৰ ভিতৰত ১০ লাখৰো অধিক জ্যেষ্ঠ নাগৰিকে এই কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰিছে।

৪। ভাৰতে ইয়াৰ সামাজিক কল্যাণ কাৰ্যসূচীৰ অধীনত ছুৰিনামলৈ প্ৰায় চাৰিশ ২৫ মেট্ৰিকটন খাদ্য শস্য আৰু অন্য খোৰা সামগ্ৰীৰ প্ৰথমটো খেপ প্ৰেৰণ কৰিছে।

***আৰু***

৫। ভাৰত আজি মহিলাৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী মোদী যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়াত উপস্থিত হয়। বিগত ১৭ বছৰত এয়া কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নাইজেৰিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি তিনুবুয়ে উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলাব আৰু দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰিব। নেতা দুগৰাকীৰ মাজৰ এই আলোচনাৰ অন্তত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৰেশতো ভাষণ দিব।

নাইজেৰিয়াৰ পৰা প্ৰধানমন্ত্ৰী মোদী জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'লৈ যাব। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাছিঅ' লুলা দ্যা ছিলভাই এই সন্মিলনৰ আত ধৰিব। ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ট্ৰোইকাৰৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয়

বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দি গ্লোবেল ছাউথ সন্মিলনৰ ফলাফল সম্পৰ্কে আলোচনা কৰিব। জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰী মোদীয়ে কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ তিনি দিনীয়া ভ্ৰমণসূচীৰে গায়ানাত উপস্থিত হ'ব।

০০০০০

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায় আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত এন ডি এ আৰু আই এন ডি আই উভয় মিত্ৰজোঁটৰ শীৰ্ষ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। মেৰা বুথ সবছে মজবুত কাৰ্যসূচীৰ অধীনত মহাৰাষ্ট্ৰৰ বিজেপি কৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে মত বিনিময় কৰি কালি প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ সৱলীকৰণত গুৰুত্ব আৰোপেৰে মহা মিত্ৰজোঁট চৰকাৰে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। মহা মিত্ৰজোঁটৰ চৰকাৰৰ প্ৰায় আঢ়ৈ বছৰীয়া শাসন কালত মহাৰাষ্ট্ৰৰ জনসাধাৰণ যথেষ্ট সন্তুষ্ট বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি মুম্বাই, পালঘৰ আৰু পুনেত দলৰ হৈ প্ৰচাৰ চলায়। প্ৰচাৰ কালত তেওঁ কংগ্ৰেছে প্ৰায় ৫০ বছৰ দেশ শাসন কৰা স্বত্বেও ভাৰতৰত্ন ডঃ বি আৰ আম্বেদকাৰক যোগ্য সন্মান দিয়া নাছিল বুলি মন্তব্য কৰে। জাতিগত পিয়ল সন্দৰ্ভত কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি শ্ৰী সিঙে কয়, যে কংগ্ৰেছ নেতাগৰাকীয়ে এই বিষয়বোৰক লৈ জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে আৰু ভোটদাতাসকলক আভুৱা-ভাঁৰাৰ চেষ্টা চলাইছে।

পালঘৰত বিজেপি প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই তেওঁ কয়, যে মহাৰাষ্ট্ৰৰ ঝাৰখণ্ডত বিজেপিয়ে যি ধৰণৰ জন সমৰ্থন লাভ কৰিছে তাৰ পৰা ৰাজ্য দুখনত এন ডি এ চৰকাৰ গঠন হোৱাটো নিশ্চিত হৈ পৰিছে। তেওঁ কয়, যে কংগ্ৰেছ চৰকাৰে সদায় দৰিদ্ৰতা দূৰীকৰণৰ শ্লোগান দি আহিছে যদিও প্ৰায় ৫০ বছৰ পৰ্যন্ত ৰাজ্য আৰু কেন্দ্ৰত শাসনত থকা স্বত্বেও দলটো দৰিদ্ৰতা দূৰ কৰিব পৰা নাই। শ্ৰী সিঙে কয়, যে পূৰ্বতে মহিলাসকলৰ বাবে অকল জিলা পঞ্চায়ত, নগৰ পঞ্চায়ত আৰু নগৰ পালিকাতহে আসন সংৰক্ষণৰ ব্যৱস্থা আছিল যদিও মোদী চৰকাৰে সংসদত নাৰী শক্তি বন্দনা বিধেয়ক গ্ৰহণ কৰি সংসদ আৰু বিধানসভাত ৩৩ শতাংশ আসন সংৰক্ষণৰ পথ প্ৰশস্ত কৰিছে। পাছত পুনেত এখন নিৰ্বাচনী সভাত ভাগ লৈ কংগ্ৰেছে ৰাজনীতিত বিশ্বাস যোগ্যতাৰ সংকটৰ সৃষ্টি কৰিছে আৰু দলটোৱে ভোটৰ খাতিৰত সামাজিক পৰিকাঠামোৰ ক্ষতিসাধনৰ বাবে যিকোনো পৰ্যায়লৈ যাব পাৰে বুলি শ্ৰী সিঙে অভিযোগ তোলে।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিত্ত মন্ত্ৰী পি চিডাম্বৰমে মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে। কালি মুম্বাইত এখন সংবাদমেলত ভাগ লৈ শ্ৰী চিডাম্বৰমে কৰ্মসংস্থাপনহীনতাক ৰাজ্যখনৰ আটাইতকৈ গুৰুতৰ বিষয় বুলি অভিহিত কৰে।

ঝাৰখণ্ডতো দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি ডুমকা, দেওঘৰ আৰু গিৰিডিহত নিৰ্বাচনী সভাত ভাষণ দি হেমন্ত চোৰেন চৰকাৰে জনজাতীয় লোকসকলক অকল ভোট বেংক হিচাপে গণ্য কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে ইউ

পি এ চৰকাৰ দিনত ৰাজ্যখনত জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে পুঁজি আৱণ্টন কৰা নাছিল বুলিও মন্তব্য কৰে।

ইফালে, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি জামতাৰা আৰু খিজ্‌ৰিত নিৰ্বাচনী সভাত ভাষণ দি বিজেপিয়ে ঝাৰখণ্ডৰ সৈতে মাহীআইৰ দৰে ব্যৱহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে খনিৰ পৰা লাভ কৰা শুল্কৰ পৰ্যাপ্ত অংশ ৰাজ্যখনক প্ৰদান নকৰা বুলি অভিযোগ কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৱেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ড প্ৰৱৰ্তনৰ তিনি সপ্তাহৰ ভিতৰত ১০ লাখৰো অধিক জ্যেষ্ঠ নাগৰিকে এই কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰাসকলৰ ভিতৰত প্ৰায় ৪ লাখ মহিলা আছে। এই কাৰ্ড জাৰি হোৱাৰ পাছৰে পৰা ৯ কোটি টকা মূল্যৰ চিকিৎসাৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। ইয়াৰ ফলত এহেজাৰ ৪০০ গৰাকী মহিলাসহ ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ চাৰি হাজাৰ ৮০০ গৰাকীৰো অধিক জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব। এই কাৰ্ডৰ জৰিয়তে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত মিছনৰ অধীনত বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিব পৰা যায়।

০০০০০

ভাৰতে দক্ষিন আমেৰিকাৰ দেশ চুৰিনামলৈ প্ৰায় ৪২৫ মেট্ৰিক টন খাদ্য শস্য আৰু অন্যান্য খাদ্য সামগ্ৰীৰ প্ৰথমটো খেপ প্ৰেৰণ কৰিছে। ভাৰতৰ সমাজ কল্যাণ কাৰ্যসূচীৰ অধীনত এই এই খাদ্যশস্য প্ৰেৰণ কৰা হৈছে। উল্লেখ্য ভাৰতে, চুৰিনামৰ সৈতে দীৰ্ঘদিনৰ পৰাই ঘনিষ্ঠ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আহিছে। , ১৯৭৬ চনত ভাৰত আৰু চুৰিনামৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপন হৈছিল। ইয়াৰ পিছতে ১৯৭৭ চনত পাৰামাৰিবোত ভাৰতীয় দূতাবাস আৰু ২০০০ চনত নতুন দিল্লীত চুৰিনামৰ দূতাবাস মুকলি কৰা হয়। ইয়াৰ পিছৰে পৰাই দেশদুখনৰ মাজত সম্পৰ্ক অব্যাহত আছে।

০০০০০

ভাৰতৰ গধুৰ যোগাযোগ উপগ্ৰহ GSAT-20 আমেৰিকাৰ উদ্যোগপতি ইলন মাস্কৰ স্পেচএক্সৰ জৰিয়তে মঙলবাৰে আমেৰিকাৰ কেপ কানাভেৰালৰ পৰা উৎক্ষেপণ কৰা হব।

ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ এছ সোমানাথে জনোৱামতে স্পেচএক্সৰ ফেলকন-9 নামৰ ৰকেটটোৰ জৰিয়তে ইছৰোৰ GSAT-20 নামৰ কৃত্ৰিম উপগ্ৰহটো উৎক্ষেপন কৰা হ'ব। উপগ্ৰহটো ১৪ বছৰলৈকে কাৰ্যক্ষম হৈ থাকিব বুলি আশা কৰা হৈছে। এই উপগ্ৰহটোৰ জৰিয়তে দুৰ্গম অঞ্চলত ইণ্টাৰনেট সংযোগকে ধৰি সমগ্ৰ ভাৰততে যোগাযোগৰ অনান্য গুৰুত্বপূৰ্ণ সেৱা আৰম্ভ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰায় ৪,৭০০ কিলোগ্ৰাম ওজনৰ GSAT-20 নামৰ উপগ্ৰহটো ভাৰতৰ অন্যতম গধুৰ যোগাযোগ উপগ্ৰহ হিচাপে চিহ্নিত হৈছে। এই উপগ্ৰহটো ভাৰতৰ নিজা ৰকেট LVM-3য়ে কঢ়িয়াব নোৱাৰাৰ বাবে স্পেচএক্সক উৎক্ষেপণৰ বাবে বাছনি কৰা হৈছিল। ইয়াৰ পূৰ্বে ভাৰতে এনে গধুৰ উপগ্ৰহ উৎক্ষেপণৰ বাবে ফ্ৰান্সৰ এৰিয়ান স্পেচ নামৰ প্ৰতিষ্ঠানটোৰ সৈতে চুক্তিবদ্ধ আছিল। কিন্তু বৰ্তমান প্ৰতিষ্ঠানটোৱে তেনে ৰকেট যোগান ধৰিব নোৱাৰাৰ বাবে স্পেচএক্সৰ সৈতে চুক্তিবদ্ধ হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে **মাতৃৰ নামত এজোপা গছ** শীৰ্ষক অভিযানত গতি প্ৰদান কৰা সকলোৱে সলাগ লৈছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে জনসাধাৰণক নিজৰ মাতৃৰ সন্মানাৰ্থে এজোপা গছ ৰোপণ কৰিবলৈ আৰু বহুক্ষম ধৰিত্ৰীৰ হকে অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে।

ooooo

ভাৰতৰ প্ৰখ্যাত সংগীতজ্ঞ, চেৰ'ড মাষ্ট্ৰ' আশীষ খানৰ মৃত্যু হৈছে। ৮৪ বছৰীয়া সংগীতজ্ঞজনে বৃহস্পতিবাৰে আমেৰিকাৰ লছ এঞ্জেলছৰ এখন চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। চেৰ'ড নামৰ বাদ্যযন্ত্ৰটোক বিশ্বজুৰি জনপ্ৰিয় কৰি তোলা সংগীতজ্ঞ গৰাকীয়ে জৰ্জ হেৰিছন, এৰিক ক্লেপটন, ৰিংগো ষ্টাৰৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংগীতজ্ঞৰ সৈতে অনুষ্ঠান পৰিবেশন কৰিছিল। ১৯৩৯ চনত মধ্যপ্ৰদেশৰ মাইহাৰত জন্মগ্ৰহণ কৰা খানে উস্তাদ আল্লাউদ্দিন খানৰ লগতে পিতৃ উস্তাদ আলী আকবৰ খান আৰু পেহীয়েক অন্নপূৰ্ণা দেৱীৰ অধীনত প্ৰশিক্ষণ লৈছিল। ভাৰতীয় শাস্ত্ৰীয় সংগীতক বিশ্বব্যাপী জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ooooo

ভাৰত আজি বিহাৰৰ ৰাজগিৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰি বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে প্ৰতিযোগিতাত জয়ৰ ধাৰা অব্যাহত ৰাখি কালি চীনক ৩-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে চাৰিখন খেলৰ পৰা ১২ পইণ্ট লাভ কৰি সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০

**সমাপ্ত**